# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-MAR-2026

**Time :** 1205 HRS

***Assamese Midday Bulletin***

—————————————————

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনী আৰু বৰপেটা আৰক্ষীয়ে যৌথ অভিযানত জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত এজন যুৱকক আটক।

৩। কাৰ্বি আংলং জিলাত পুৱতি নিশা সংঘটিত পথ দুৰ্ঘটনাত চাৰিজন লোকৰ মৃত্যু । বহুকেইজন গুৰুতৰভাৱে আহত ।

**আৰু**

৪। এফ আই এইচ হকী মহিলা বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত ড় আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৰাক উপত্যকাৰ উন্নয়নৰ লক্ষ্যৰে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পসমূহৰ ভিতৰত ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষ শিলচৰ হাইস্পীড কৰিডৰ, প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা শিলচৰ টাউন উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয় আছে। শিলচৰৰ অম্বিকাপুৰত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকী সাংসদ আৰু বিধায়ক উপস্থিত আছে। প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণ কালতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাকৰ শ্ৰীকোণাত নিৰ্মাণ কৰা মিনি সচিবালয় আৰু দাৰগাকোণাৰ মিঠাপানীত অসম চৰকাৰৰ নগৰ আৰু গৃহ নিৰ্মাণ বিভাগৰ সন্মিলন কেন্দ্ৰ উদ্বোধন কৰিব।

ইয়াৰ পূৰ্বে কালি প্ৰধানমন্ত্ৰী মোদীয়ে গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰৰ ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত কয়, যে এই প্ৰকল্পসমূহৰ জৰিয়তে বিটিচিৰ জনসাধাৰণে বিভিন্ন সুবিধা লাভ কৰাৰ উপৰি এই খণ্ডৰ পৰ্যটন আৰু বাণিজ্যৰো বিকাশ হ'ব। তদুপৰি উন্নত যোগাযোগ ব্যৱস্থাৰ ফলত কৃষকসকলৰ উৎপাদিত সামগ্ৰীসমূহে বৃহৎ বজাৰ লাভত সহায়ক হ'ব।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণত নিমাতী ঘাট আৰু বিশ্বনাথ ঘাটত আধুনিক জাহাজ টাৰ্মিনেল নিৰ্মাণৰ কাম আৰম্ভ হৈছে বুলি উল্লেখ কৰি কয়, যে চৰকাৰে অসমৰ পৰ্যটন খণ্ডক কেৱল দৰ্শনৰ স্থান হিচাপে গঢ়ি

তোলাই নহয় বৰঞ্চ নিয়োগ আৰু বিকাশৰ পথ হিচাপেও বিবেচনা কৰিছে। তেওঁ এয়া কেৱল এটা আন্তঃগাঁথনি প্ৰকল্পই নহয় বৰঞ্চ অসমৰ পৰ্যটন আৰু স্থানীয় অৰ্থব্যৱস্থাক নতুন গতি প্ৰদানৰ পদক্ষেপ বুলি মন্তব্য কৰে।

০০০০০০

শ্ৰীভূমি জিলাৰ আয়ুক্তই নিৰ্বাচনৰ কাম সম্পূৰ্ণ নোহোৱালৈকে চৰকাৰী কাৰ্যালয়সমূহ দেওবাৰ আৰু অন্যান্য বন্ধৰ দিনতো খোলা ৰাখিবলৈ নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশ অনুসৰি বন্ধৰ দিনত প্ৰতিটো কাৰ্যালয়ত অন্ততঃ এজন অফিচ সহায়ক আৰু এজন এম টি এছ বা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী উপস্থিত থাকিব লাগিব। জিলাখনৰ বেংকসমূহো দেওবাৰ বা অন্যান্য বন্ধৰ দিনত খোলা ৰখাৰ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচনৰ সময়ত প্ৰয়োজনীয় কামসমূহ সুকলমে সম্পন্ন হোৱাৰ উদ্দেশ্যে এই নিৰ্দেশনা জাৰি কৰা হৈছে আৰু ইয়াৰ অমান্য কৰিলে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০

ডিব্ৰুগড় জিলাত চলি থকা প্ৰিজাইডিং আৰু পুলিং বিষয়াসকলৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণৰ কাইলৈ সামৰণি পৰিব। জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ গৃহ, জিলা গ্ৰামোন্নয়ন অভিকৰণৰ জাগৃতি গৃহ, আউনীআটি শাখা সত্ৰ প্ৰেক্ষাগৃহ, কানৈ বাণিজ্য মহাবিদ্যালয় আৰু জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। ই ভি এম আৰু ভি ভি পেট মকড্ৰিলৰ সহায়ত প্ৰিজাইডিং আৰু পুলিং বিষয়াসকলক প্ৰশিক্ষণ দিয়া হৈছে।

০০০০০০

মৰিগাওঁ জিলাত ৰন্ধন গেছৰ কোনো ধৰণৰ নাটনি হোৱা নাই বুলি জিলাখনৰ আয়ুক্ত অনামিকা তিৱাৰীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত জিলা আয়ুক্তগৰাকীয়ে ৰন্ধন গেছৰ নাটনি হোৱা বুলি সামাজিক মাধ্যমত বিয়পি পৰা উৰা বাতৰিত ভুল নাযাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

***(বাইট)***

***০০০০০***

অসমৰ প্ৰথমগৰাকী গ্ৰেণ্ড মাষ্টাৰ হিচাপে মায়ংক চক্ৰৱৰ্তীয়ে ইতিহাস ৰচনা কৰিছে। ছুইডেনত অনুষ্ঠিত অষ্টম গ্ৰেণ্ড মাষ্টাৰ প্ৰতিযোগিতাত খিতাপ জয় কৰি মায়ংক দেশৰ ৯৪ সংখ্যক গ্ৰেণ্ড মাষ্টাৰ হিচাপে বিবেচিত হৈছে। প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডত শীৰ্ষ স্থানৰ খেলুৱৈক পৰাভূত কৰাৰ উপৰি মায়ংকে গ্ৰেণ্ড মাষ্টাৰ হ'বৰ বাবে প্ৰয়োজনীয় ২৫০০ ফিডে ৰেটিঙৰ সীমা অতিক্ৰম কৰে। এই সাফল্যৰ জৰিয়তে মায়ংক চক্ৰৱৰ্তী অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী গ্ৰেণ্ড মাষ্টাৰ হিচাপে পৰিগণিত হৈছে।

০০০০০০০০

কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাৰ লক্ষীজানত আজি পুৱতি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে বহুকেইজন লোক গুৰুতৰভাৱে আহত হয়। আমাৰ কাৰ্বি আংলঙৰ সংবাদদাতাই জনোৱা মতে, লাহৰীঘাট মৈৰাবাৰিৰ পৰা ডিমাপুৰ অভিমুখে গৈ থকা বাছখনে পথৰ দাঁতিৰ এজোপা গছত খুন্দা মৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। নিহত লোককেইজন আব্দুল বাৰিক, চাবিনা

চুলতানা, খলিল ৰহমান আৰু আলাল উদ্দিন বুলি চিনাক্ত কৰা হৈছে। আহতসকলক বোকাজান সমূহীয়া স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰোৱা হৈছে। ০০০০

*০০০০০০*

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **বায়ু প্ৰদূষণজনিত বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ** শীৰ্ষক আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ ন'ডেল বিষয়া **ডাঃ কনক চন্দ্ৰ তালুকদাৰ** আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পৰিৱেশ বিজ্ঞানী **গৌতম কৃষ্ণ মিশ্ৰ** উপস্থিত থাকিব। আলোচনাৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০০০০

ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত হ'বলগীয়া **লুইতৰ পৰা মিছিছিপিলৈ** শীৰ্ষক এই সংগীতানুষ্ঠান গধূলি ৬ বজাত আৰম্ভ হ'ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যৰ ভালেসংখ্যক প্ৰবীন আৰু নবীন শিল্পীয়ে গীত পৰিবেশন কৰিব।

০০০০০০০

অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকলক লৈ গঠিত সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ অসমৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কাইলৈ ধেমাজিত উদযাপন কৰা হ'ব। ধেমাজিৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয় চৌহদত আয়োজন কৰা দিনজোৰা কাৰ্যসূচীত আকাশবাণীৰ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত দুপৰীয়া **জীৱনৰ বিভিন্ন স্তৰত আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ গুৰুত্ব** শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান বিভাগৰ সহকাৰী সঞ্চালক কাৰ্তিক সূত্ৰধৰক অনুপ্ৰেৰণা বঁটা, অনুষ্ঠান কাৰ্যবাহী বিষয়া ঋতুপৰ্ন দাসক নাট্য প্ৰভাকৰ বঁটা, বিনীতা ডেকাক শ্ৰেষ্ঠ ঘোষিকা বঁটা, বাতৰি পৰিৱেশিকা জিণ্টী ৰাণী ডেকা আৰু পৰিস্মিতা দিহিঙীয়াক শ্ৰেষ্ঠ বাতৰি পৰিৱেশিকা বঁটা প্ৰদান কৰা হ'ব। ডিব্ৰুগড় কেন্দ্ৰৰ বিন্দু ৰাজখোৱা, গোপা হাজৰিকা, যোৰহাট কেন্দ্ৰৰ গায়ত্ৰী দেৱী, মৃণালী দত্ত শইকীয়া, পূৰৱী ভট্টাচাৰ্য আৰু তেজপুৰ কেন্দ্ৰৰ ত্ৰৈলোক্য বৰা, ৰূপালী বৰাক জনপ্ৰিয় ঘোষক-ঘোষিকা বঁটা আগবঢ়োৱা হ'ব। এই একেটা অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ টিয়কৰ কণ্ঠশিল্পী ৰুণু বৰগোহাঁইক সংগীত শিল্পী বঁটা, জাঁজীৰ সাংবাদিক দিগন্ত শৰ্মাক যুৱ সাংবাদিকতা বঁটা আৰু জাঁজীৰ প্ৰণৱ কুমাৰ দত্তক শ্ৰেষ্ঠ শ্ৰোতা অনুৰাগী বঁটা, টিয়ক জগদুৱাৰৰ মানস জ্যোতি কটকী আৰু ধেমাজী মাছখোৱাৰ অনুপমা শইকীয়াক শ্ৰোতা অনুৰাগী বঁটা প্ৰদান কৰা হ'ব। মাছখোৱাৰ সংবাদদাতা বীৰেণ কোঁৱৰ আৰু মিণ্টু শইকীয়া, শিৱসাগৰ চাৰিঙৰ পদ্মলোচন খনিকৰক, গৌৰীসাগৰৰ সংবাদদাতা মৃগাংক হাজৰিকাক উৎকৃষ্ট সাংবাদিকিতা বঁটা প্ৰদান কৰা হ'ব। তদুপৰি আকাশবাণী ডিব্ৰুগড়ৰ তৌফিকা উল্লাহ আৰু ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী জিণ্টু চেতীয়াক প্ৰযোজক বঁটা প্ৰদান কৰিব বুলি সংস্থাটোৰ সভাপতি, সম্পাদকে জানিবলৈ দিয়ে।

০০০০০০

এফ আই এইচ মহিলা  হকী বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন তেলেংগানাৰ জি এম চি বালাযোগী হকী গ্ৰাউণ্ডত সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। দুয়োটা দলেই ফাইনেল পৰ্যন্ত অপৰাজিত হৈ আছে। চালিমা টেটেৰ নেতৃত্বৰ ভাৰতৰ দলটোৱে যোৱা নিশা অনুষ্ঠিত ছেমি ফাইনেলত ইটালীক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতৰ মনীষা চৌহানে খেলখনৰ ৪০ মিনিটত একমাত্ৰ গ'ল দি দলক জয় লাভ কৰোৱায়। ইয়াৰ লগে লগে মহিলাৰ হকী বিশ্বকাপত তৃতীয়বাৰৰ বাবে ভাৰতৰ অংশগ্ৰহণ নিশ্চিত হৈ পৰে।

০০০০০০০

যুৱ সংগমৰ ষষ্ঠ পৰ্যায়ৰ বাবে পঞ্জীয়ন আৰম্ভ হৈছে। **এক ভাৰত শ্ৰেষ্ঠ ভাৰত** কাৰ্যসূচীৰ অধীনত আয়োজন কৰা এই পদক্ষেপত অংশগ্ৰহণৰ বাবে শিক্ষা মন্ত্ৰ্যালয়ে সমগ্ৰ দেশৰ যুৱচামক আমন্ত্ৰণ জনাইছে। অহা ১৮ মাৰ্চ পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে ebsb.aicte-india.org ৱেবছাইটৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব। এই কাৰ্যসূচীয়ে যুৱ অংশগ্ৰহণকাৰী সকলক বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল ভ্ৰমণৰ জৰিয়তে দেশৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু উদ্ভাৱন পৰিস্থিতি তন্ত্ৰৰ অভিজ্ঞতা লাভ সুযোগ প্ৰদান কৰিব।

০০০০০০০০

Foundation Day/AZ (14-03-2026,) 11am

অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকলক লৈ গঠিত সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ অসমৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কাইলৈ ধেমাজিত উদযাপন কৰা হ'ব। ধেমাজিৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয় চৌহদত আয়োজন কৰা দিনজোৰা কাৰ্যসূচীত আকাশবাণীৰ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত দুপৰীয়া **জীৱনৰ বিভিন্ন স্তৰত আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ গুৰুত্ব** শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান বিভাগৰ সহকাৰী সঞ্চালক কাৰ্তিক সূত্ৰধৰক অনুপ্ৰেৰণা বঁটা, অনুষ্ঠান কাৰ্যবাহী বিষয়া ঋতুপৰ্ন দাসক নাট্য প্ৰভাকৰ বঁটা, বিনীতা ডেকাক শ্ৰেষ্ঠ ঘোষিকা বঁটা, বাতৰি পৰিৱেশিকা জিণ্টী ৰাণী ডেকা আৰু পৰিস্মিতা দিহিঙীয়াক শ্ৰেষ্ঠ বাতৰি পৰিৱেশিকা বঁটা প্ৰদান কৰা হ'ব। ডিব্ৰুগড কেন্দ্ৰৰ বিন্দু ৰাজখোৱা, গোপা হাজৰিকা, যোৰহাট  কেন্দ্ৰৰ গায়ত্ৰী দেৱী, মৃণালী দত্ত শইকীয়া, পূৰবী ভট্টাচাৰ্য আৰু তেজপুৰ কেন্দ্ৰৰ ত্ৰৈলোক্য বৰা, ৰূপালী বৰাক জনপ্ৰিয় ঘোষক-ঘোষিকা  বঁটা আগবঢ়োৱা হ'ব। এই একেটা অনুষ্ঠানতে  আকাশবাণী গুৱাহাটীৰ টিয়কৰ কণ্ঠশিল্পী ৰুণু বৰগোহাঁইক সংগীত শিল্পী বঁটা, জাঁজীৰ সাংবাদিক দিগন্ত শৰ্মাক যুৱ সাংবাদিকতা বঁটা আৰু জাঁজীৰ প্ৰণৱ কুমাৰ দত্তক শ্ৰেষ্ঠ , টিয়ক জগদুৱাৰৰ মানস জ্যোতি কটকী আৰু ধেমাজী মাছখোৱাৰ অনুপমা শইকীয়াক শ্ৰোতা অনুৰাগী বঁটা প্ৰদান কৰা হ'ব। মাছখোৱাৰ সংবাদদাতা বীৰেণ কোঁৱৰ আৰু মিণ্টু শইকীয়া, শিৱসাগৰ চাৰিঙৰ পদ্মলোচন খনিকৰক, গৌৰীসাগৰৰ সংবাদদাতা মৃগাংক হাজৰিকাক উৎকৃষ্ট সাংবাদিকিতা বঁটা প্ৰদান কৰা হ'ব।  তদুপৰি আকাশবাণী ডিব্ৰুগড়ৰ

তৌফিকা উল্লাহ আৰু ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী জিণ্টু চেতীয়াক প্ৰযোজক বঁটা প্ৰদান কৰিব বুলি সংস্থাটোৰ সভাপতি, সম্পাদকে জানিবলৈ দিয়ে। ০০০০